
প্ৰতীতি
সম্পাদকীয়
উন্মোচকৰ স্বাক্ষৰ
সম্পাদনা সমিতি
RATAN TATA
(1937 - 2024)
YOUTH
কৰ্ম আৰু জীৱন
E=mc²
The Dance Of The Seasons
LIVING IN DEEDS (RATAN TATA)
Assamese Cinema through 9 Decades
সুখৰ সংজ্ঞা
বৰষা



Neverland
wizaard
The Shire
Hogwarts
This way
That way
Wonderland
Far Far Away
Emerald City
Narnia
Badger's House
Hundred Acre Wood
E=mc²

# সম্পাদকীয়

— হোমেন সোণোৱাল

সম্পাদকীয়ৰ আৰম্ভণিতে শ্ৰদ্ধাৰ পাঠক বৃন্দলৈ 'প্ৰতীতি'ৰ সম্পাদকৰ তৰফৰ পৰা জনাইছোঁ আন্তৰিক প্ৰণিপাত।

ডিব্ৰুগড় জিলাৰ চাবুৱাস্থিত 'জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান'ৰ ২০২৩-২৫ শিক্ষাবৰ্ষৰ বি.এড তৃতীয় ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকাখনিৰ সম্পাদকৰ দৰে গুৰু দায়িত্বভাৰ এই অভাজনৰ কান্ধত তুলি দিয়াত সকলোৰে প্ৰতি মোৰ অন্তৰ কৃতজ্ঞতাৰে উথলি উঠিছে।

প্ৰাচীৰ পত্ৰিকাসমূহ শিক্ষানুষ্ঠান অথবা অন্যান্য অনুষ্ঠানসমূহৰ একো একোটা পদ অলংকাৰস্বৰূপ। কাৰণ ই অনুষ্ঠানবিশেষৰ বৌদ্ধিক সৌন্দৰ্যবৰ্ধন কৰাত সহায় কৰে। জীৱন গঢ়াৰ কৰ্মশালাত বিদ্যাৰ্জনৰত বিদ্যাৰ্থীসকলৰ অন্তৰিন্দ্ৰিয় ভাৰত নিহিত আৱেগ, অনুভৱ, আলোড়ন, অনুৰাগ, কল্পনা, যুক্তিযুক্ততা, আশা-আকাংক্ষা, চিন্তা-চৰ্চা, উদ্ভাৱনী বৃদ্ধিৰ বহিঃপ্ৰকাশ আৰু প্ৰতিপালনৰ অন্য এক প্ৰয়োজনীয় মাধ্যম হ'ল প্ৰাচীৰ-পত্ৰিকা। গল্প, কবিতা, প্ৰবন্ধ, অণুগল্প, অনুবাদ, মহৎ লোকৰ বাণী আদি নানানটা বিষয়ক চিন্তনৰ সমাহাৰ ঘটে যিয়ে শিক্ষাৰ্থীৰ ভাৱনাক একোটা নিৰ্দিষ্ট দিশত কেন্দ্ৰীভূত আৰু শৃংখলাবদ্ধ কৰাৰ লগতে উৎকৰ্ষ সাধনৰ অৱকাশ যোগায়।

এই দিশটোলৈ লক্ষ্য কৰিয়েই আমাৰ প্ৰাচীৰ পত্ৰিকাখনিৰ নাম দিয়া হৈছে - 'প্ৰতীতি'। এই প্ৰাচীৰ পত্ৰিকাখনিত যিসকলৰ লেখা অথবা অন্যান্য কলাত্মক কাম প্ৰকাশ পাইছে তেওঁলোকৰ শৈক্ষিক কৰ্ষণ তথা বৌদ্ধিক চিন্তন মননেৰে হৈ পৰক এই সাৰ্থক প্ৰতীতি। এই আশাৰেই আমাৰ এই "প্ৰাচীৰ পত্ৰিকা" শ্ৰদ্ধাৰ পাঠকৰ আগত দাঙি ধৰিলোঁ।

জয়তু চাবুৱা ডিব্ৰুগড়।

# সম্পাদনা সমিতি

সম্পাদক : হোমেন সোণোৱাল।

হস্তাক্ষৰ : লনী সোণোৱাল, ৰুবুল দাস, চয়নিকা গগৈ, শুভদীপ দাস, মানস প্ৰতিম হাজৰিকা।

চিত্ৰাংকন : দিপ্তী গুপ্তা, ৰুবুল দাস।

চিত্ৰকল্প : ৰশ্মী ৰেখা, দিপ্তী গুপ্তা, কৌশিক্য বৰগোঁহাই, লক্ষ্যজ্যোতি বৰা, হোমেন সোণোৱাল।

সদস্য/সদস্যা : গায়ত্ৰী ৰাজকুমাৰী, ৰীণা মুৰাৰ, কাশ্যপজ্যোতি বুঢ়াগোঁহাই, তিদীপ বৰগোঁহাই, সুজয় কুমাৰ দলে, পূজা সেও আৰু সমূহ বি.এড. তয় ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থী

RA
TA
(1937 - 2

# জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান

কৌটিল্য বৰগোহাঁই

শিক্ষা হ'ল মানৱ জীৱনৰ এনে এক অস্ত্ৰ যি অস্ত্ৰই যিকোনো যুদ্ধৰ ক্ষেত্ৰত সদায় অগ্ৰণী ভূমিকা পালন কৰি আহিছে,
সেয়া জীৱন-যুদ্ধই হওঁক কিম্বা বিশ্বযুদ্ধ। শিক্ষাই হ'ল এজন ব্যক্তি, এখন সমাজ তথা এখন ৰাষ্ট্ৰৰ মূল আপকাঠি।
এখন দেশ উন্নয়নশীলৰ পৰা উন্নত হোৱাৰ মূল আহিলা হ'ল শিক্ষা। ইতিহাস প্ৰসিদ্ধ কোঠাৰী কমিছনৰ (১৯৬৪-১৯৬৬)
-কিছু তথ্য আৰু অনুমোদন সমূহৰ ওপৰত লক্ষ্য কৰি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ভাৰতৰ প্ৰথমখন ৰাষ্ট্ৰীয় শিক্ষানীতি
১৯৬৮ ৰ ঘোষণা কৰিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল মৌলিক পুনৰ গঠন। আনহাতে ১৯৮৬ চনৰ
ৰাষ্ট্ৰীয় শাসনাধীন চৰকাৰৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ অনুমোদন সাপেক্ষে ৰাষ্ট্ৰীয় শিক্ষা
নীতি, ১৯৮৬ প্ৰৱৰ্তন কৰিছিল। ইয়াৰে এক অৱদান হ'ল জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতি
-ষ্ঠান (DIET)। ১৯৯০ চনৰ পৰাই ভাৰতৰ -শিক্ষা ব্যৱস্থাৰ মানদণ্ড উন্নত কৰাৰ বাবেই
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান- সমূহৰ গঠনৰ চিন্তা-চৰ্চা কৰা হৈছিল। শিক্ষক
হ'ল সেইসকল মানৱৰ যাৰ হাতত ভৱিষ্যতৰ প্ৰশিক্ষণৰ মূল সূত্ৰপাতসমূহ বন্ধা থাকে। এজন
সুস্থ সবল নাগৰিক তথা এখন সুস্থ সমাজ গঢ়াত শিক্ষকসকল হ'ল পথ প্ৰদৰ্শক।
সেই কথাৰ ওপৰত গুৰুত্ব ৰাখিয়েই ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৮৬ য়ে শিক্ষকসকলৰ-
প্ৰশিক্ষণৰ বাবে ভাৰতৰ প্ৰতিখন জিলাতে এখোজকৈ DIET ৰ প্ৰতিষ্ঠা কৰিছিল। সমাজৰ
থকা DIET সমূহে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট অৰিহনা যোগাই আহিছে।
বৰ্তমানৰ প্ৰেক্ষাপটত DIET সমূহৰ ভূমিকা সলনি হৈছে। কেৱল শিক্ষকৰ প্ৰশিক্ষণতেই-
সীমিত নাথাকি জিলাৰ অন্তৰ্গত প্ৰতিখন বিদ্যা-লয়ৰ ছাত্ৰ-ছাত্ৰীৰ সা-সুবিধা সমূহৰ লগতে প্ৰত্যেক
ভিন্নতা চিনাক্ত কৰি তাৰ মোকাবিলা কৰাত সহায় কৰি আহিছে। NCERT ৰ লগতে SCERT ৰ যোগে DIET সমূহ
ওতঃপ্ৰোত ভাৱে জড়িত হৈ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ উন্নতিৰ ক্ষেত্ৰত অগ্ৰণী হৈ আছে।

ত-

াৱাল ।
ল, ৰুবুল দাস ,
শুভ্ৰদীপ দাস , মানস
।

ুল দাস ,

ী গুপ্তা, কৌটিল্য
জ্যোতি বৰা ,
ল,
কুমাৰী ,
জ্যোতি

# RATAN TATA

(1937 - 2024)



# LIVING IN DEEDS (RATAN TATA)

- Rosy Begum

"If you want to walk fast, walk alone. But if you want to walk far, walk together" and far did he walk his journey of 86 long years talking along the nation together as one. Ratan Naval Tata, an industrialist and philanthropist that India is proud to call its own. Ratan Naval Tata, commonly known as Ratan Tata belong to prestigious Tata family whose works continue to inspire generations.

Having degrees in architecture and magement, Ratan Tata was also awarded the padma Bushan and padma Vibhushan while serving as the chairman of Tata Group and Tata Sons. During his tenure the Tata group aquired companies like Tetley, Jaguar, Land Rover and Corus in an attempt to turn Tata from a largely India centric group into a global business.

Besides his remarkable success in the field of business, Ratan Tata also played a key role with his philanthropic works in various sectors including healthcare, technology and social welfare. His contribution towards furthering cancer care in Assam also earned him the "Assam Baibhav" in 2021. His death on 9th october 2024 sent out a wave of sorrow across the country but his legacy lives forever.

# সুখৰ সংজ্ঞা

– চয়নিকা গগৈ

তোমাৰ বাস্তৱিকতালৈ মোক নাটানিবা,
বিচাৰি নাপাওঁ য'ত ৰামধেনুৰ সাতো ৰঙে
মতলীয়া কৰা এখনি আকাশৰ ছাঁ
বিচাৰি নাপাওঁ য'ত সুৰুযৰ হেঙুলীয়া আভা।
প্ৰকৃতিৰ মাজত বিলীন হ'ব খোজা মোৰ মনটোক
তোমাৰ যান্ত্ৰিকতালৈ নাটানিবা,
অকলশৰীয়া যদিও কাগজৰ ভাজে ভাজে উমাল হোৱা
নীলা চিয়াঁহীৰেই জনপ্ৰিয় হ'ব খোজোঁ মই।
তোমাৰ ধনেৰে নুজুখিবা মোক,
হয়তো অমূল্য হ'ব লেৱাৰিস,
তথাপি তোমাৰ আগ্ৰাসনলৈ যোৱাৰ হেঁপাহ নাই।
সম্পূৰ্ণ নহ'ব পাৰে যদিও
মোৰ সপোনবোৰৰ মাজতেই
মই জীয়াই থাকিব খোজোঁ,
কাৰণ,
তাতেই আছে মোৰ সুখৰ সংজ্ঞা।



# SOCIAL MEDIA : আপদ নে সম্পদ ?

— প্ৰাঞ্জ ভৰালী

তেওঁৰ এমাহৰ উপাৰ্জন প্ৰায় ২৫ কোটি টকা! আপুনি সেই তিনিটা জনমতে উপাৰ্জন কৰিব নোৱাৰা টকা তেওঁ মাত্ৰ এটা মাহতে উপাৰ্জন কৰে। তেওঁ এজন Youtuber। নাম Mr Beast, তেওঁ Youtuber, Facebook, Tiktok, Instragram ত Video নিৰ্মাণ কৰি সম্পত্তিৰ পাহাৰ গঢ়িছে। দেশজুৰি জনপ্ৰিয়তা পোৱাৰ লগতে সন্মান বুটলিবলৈ সক্ষম হৈছে। একেবোৰেই এপ। পাৰ্থক্য টাইৰ। তেওঁ আমেৰিকাৰ, আমি অসমৰ। এবাৰ ভাবকচোন। যি এপবোৰ তেওঁলোকে সন্মান, জনপ্ৰিয়তাৰ লগতে অগাধ সম্পত্তি গঢ়িছে, সেই একেটা এপতে আমি সীমা চেৰাই যোৱা বহুবালি কৰিছোঁ। অনাহকত বিতৰ্ক, কাজিয়া, হুলস্থূল, ব্যক্তিগত কন্দল, অসামাজিক খবৰেৰে সামাজিক মাধ্যম ভৰপূৰ কৰি পেলাইছোঁ। অসমৰ Social Media মানেই বিতৰ্কৰ সমাহাৰ। এক অসুস্থ বিতৰ্ক। সাঁতিশুৰি নোহোৱা Video ৰ সমাহাৰ। এইবোৰ কৰিয়েই ঘন্টাৰ পাছত ঘন্টা অযথা সময় নষ্ট কৰিছে অসম আৰু অসমীয়াই। এইখন অসম তথা ভাৰতবৰ্ষতেই বহুজনে Social Media ৰ কাৰণেই মৃত্যু পৰ্যন্ত আকোঁৱালি লৈছে। এক প্ৰকাৰ অসমৰ প্ৰেক্ষাপটত সামাজিক মাধ্যম আপদলৈ ৰূপান্তৰিত হৈছে।

এই বিষয়ৰ মাজতো অসমৰ একাংশ যুৱ প্ৰজন্মই আশাৰ সঞ্চাৰ দেখুৱাইছে। সপোনৰ নতুন বাট দেখুৱাইছে। সপোনৰ নতুন বাট দেখুৱাইছে। Social Media ত কেৰিয়াৰ আছে। কথাটো আমি উপলব্ধি কৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজন কিছু ব্যতিক্ৰম আৰু ইতিবাচক চিন্তাৰ। প্ৰয়োজন কিছু ধৈৰ্য্যৰ। লাগিব একাগ্ৰতা। সময় সলনি হৈছে। তাৰ লগে লগে মানুহে জীয়াই থাকিবলৈ কৰা বৃত্তিবোৰো সলনি হৈছে। পৃথিৱীখন ডিজিটেল হৈছে। ডিজিটেল মাধ্যমত কাম কৰিও যে মানুহে ভাত মুঠি মোকলাব পাৰে সেইকথা অসমৰ যুৱ প্ৰজন্মই বুজিব লাগিব। এখন ভিতৰুৱা গাঁৱত থাকিও যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ Video নিৰ্মাণ কৰিব পাৰি সেইকথা শিকিব লাগিব। এই ক্ষেত্ৰত প্ৰয়োজন কেৰিয়াৰ গাইডৰ। অসমৰ Video সমগ্ৰ বিশ্বই চাব লাগিব। ইয়াৰবাবে কিছু অনুশীলনৰ প্ৰয়োজন আছে। সেই পৰ্যায়ৰ Video এদিন এইখন অসমৰ অসমীয়াই নিৰ্মাণ কৰিব। কৰিব নহয়, নিৰ্মাণ হ'বই। পাৰিব অসমীয়াই। কৰিব অসমীয়াই। আমি আশাবাদী। কেৱল অলপ চেষ্টা লাগিব।

ইয়াকে নকৰি যদি সামাজিক মাধ্যমত নিম্ন পৰ্যায়ৰ বিতৰ্ক কৰি থাকে তেন্তে Social Media অসমৰ বাবে সম্পদৰ সলনি আপদহে হ'ব। এদিন সমগ্ৰ বিশ্বই আমাক হাঁহিব।

## বৰ্তমান অৱস্থাত অসমৰ জ

মূল বৃক্ষ হিচাপে কছাৰীসকল এটি পৰাক্ৰমী আৰু
আনহাতে বুৰঞ্জীবিদসকলৰ মতে আহোম ৰজাস
মানুহক সোনোৱাল বুলি উল্লেখ পোৱা যায়।

অসমৰ লক্ষীমপুৰ (অবিভক্ত) আৰু শি
কৰি আহিছে। চৰকাৰী পিয়লৰ নথিত
লোকসংখ্যা বুজন হ'ব লাগে। চ
কৰা হয়। অনুসূচিত জনজাতিৰ
বাকৰি সকলো পৰ্যায়ৰ অনুদান
চেষ্টা কৰি আহিছে। শিক্ষাৰ
নাকৰ সমাজত লিখিব পাৰি
চাকৰিয়াল, উচ্চ প্ৰদত্ত বিষয়
অভিযন্তা প্ৰমুখ্যে সকলো
হ'লেও নোহোৱা নহয়

অসমত বাস ক
যদিও বিভিন্ন জা
তথাপি শদিয়াৰপ
এক বুলি পৰম
লৈহে আনন্দ
কলা - কৃষ্টি
ক্ষেত্ৰতে
ক্ৰমোন্ন
লালু
বীৰ

# YOUTH

-Rina Moran

In the tangled wood of life, where choices lie,
Before you stumble, before you fall,
The path you tread, so tempting, bright,
May lead to shadow,
Endless night.



Beware, siren's seductive song,
Leading you astray,
Leading you wrong,
For fleeting pleasure,
Fleeting gain,
Can shackle you in lifelong pain.

But listen to the voice within,
So, true, that guide with
wisdom, shining bright & new.
For in each step, a chance to
amends.
And forge a future free
From twisted bends.

So, pause, reflect, before you take a stride,
And let your conscience be your trusted guide.
For in the end, it's not the destination,
But the journey taken with determination.



সৰ্চাঁ প্ৰাপ্তি
মাতৃয়ে বুকু
ধৈৰ্য আৰু
লালন - পালন

কতাৰ পৰশত
ৰহন লাগিছে।
গভীৰ নদীখন,

পিতৃ প্ৰেমৰো
এনে

সন্তানে
টৈল তেওঁ
মাতৃপ্ৰেমৰ
হে
লোকে

# Assamese Cinema through 9 Decades

– Sayanika Gogoi

Cinema entertains, but at the same time, they also address, represent and communicate with its audience. It is the world's most recent art form and by far the most complex, collaborative and costly artistic expression.

The narrative of Assamese cinema has been a slow paced linear narrative from the beginning. "Assamese Film Industry"'s foundation was laid back in 1935 with Jyoti Prasad Agarwala's 'Joymoti'. After four years, he made "Indramalati", and the period was followed by a few other prominent films — "Monomoti" (1941), "Badan Borphukan" (1947), "Rupahi" (1947), "Siraj" (1948), Shakuntala (1961), "Loti-Ghoti" (1966) etc.

It is important to note that within the state, films have also been made in a few other languages in addition to Assamese. Then the 90s was an era that has accepted both : popular cinema and flop releases. With a gradual decline in the popularity of Assamese cinema, the industry started accepting influences from the cinema around the globe.

In recent times, due to technological advances, various aspects of film-making from production to distribution and projection has become digitalized. Rima Das brought laurels to the Assamese film industry by representing India in Oscar with her debut film "Village Rockstar" (2017). Bhaskar Hazarika recreated four stories from Buri Aair Xadhu through his film "Kothanodi" (2016).

Assamese cinema, over the almost nine decades of its existence, has come of age by now. It has been able to establish its own identity in the national and international levels with hard work, dedication, and timely initiatives. In the coming days it can be expected that the well-established cinema culture of the state shall be able to influence, inculcate it to others as well, the present and future generations are expected to contribute positively to the already created repository of good works done so far.

# গাঁৱৰ তেজাল দাকুৰা কেইটাই আছিল আমাৰ এলাৰ্ম ক্লক

— শুভকান্ত চুতীয়া

ইকৰাৰ মাটি লিপি সুন্দৰ কৰি থোৱা বেৰখনত এটা ৱাল ঘড়ীয়ে টিক টিক কৰি সময়বোৰ সঠিক মতেই দিছিল, তদুপৰি হাতঘড়ী এটাও প্ৰতিমুহূৰ্ত্তে জীৱন্ত অৱস্থাতেই আছিল যদিও কিন্তু এলাৰ্ম দিব পৰা ব্যৱস্থা কোনোটো ঘড়ীতেই নাছিল। বিদ্যালয়ৰ পৰা আহি কিতাপজোপা ধমকে বাঁহৰে সজা টেবুল-খনতে পেলাই চিধাই মজিয়ালিলৈ গৈ ভাতচো, টো ঢংকৈ ওদিয়াই ভাত একাঁহী খাই খেলিবলৈ ওলাই যাওঁ আৰু একেবাৰে বেলি পৰাৰ পিছত আন্ধাৰ হ'লেহে ঘৰত আহি সোমাওঁহি। ভৰিত পানী এটিও ঢালি, কিতাপ থোৱা টেবুলখনৰ ওচৰলৈ গৈ প্ৰাৰ্থনা কৰি চাকিটো ওচৰলৈ আনি পঢ়িবলৈ বহোঁ যদিও দহ মিনিটমান পঢ়াৰ পিছতে টপক টপক টোপনি আহি যায়। গাঁৱতনো কি, সন্ধিয়া ছয়-সাত বজাত ভাত খাবলৈ হৈ যায়, মাহঁ অৱস্থাটো দেখি দেৰি নকৰি ভাত বাঢ়ি দিয়ে। খাই ৰবলৈ সময় নাই, বিচনাত পৰি যাওঁ, মায়েও কয় যা শো-শো কিন্তু ৰাতিপুৱা সোনকালে উঠিবি। সোনকালে মানে সোনকাল আৰু পুৱা ৩.00 বজাত, নিৰৱ নিতাল, নিস্তব্ধ কাঁহপৰি জীন যোৱা। পুৱতি নিশা গাঁৱৰ তেজাল দাকুৰা কেইটাৰ কোনোবা এটাই গাঁৱৰ কোনোবা এটা চুকতবা চুবুৰীত নিৰ্ভীক, নিসংকোচে এলাৰ্ম দিবলৈ আৰম্ভ কৰে "কং ককক কক"। এক বুজাব নোৱাৰা কিবা যেন অনুভূতি। গাঁৱৰ সেই তেজাল দাকুৰা কেইটাই আছিল আমাৰ এলাৰ্ম ক্লক।

# The Dance Of The Seasons...

Spring awakens, fresh and bright,
with buds that blooms in Morning light-
Green leaves unfold, the world is new
A canvas painted, Sky so blue.

Summer blazes, warm and bold,
with days of sun and tales retold.
Golden fields and wave that sing
In vibrant life, all creatures cling
To
Autumn whisphers, Soft and slow,
As amber leaves begins to blow.
A harvest rich, a farewell song,
To colours bright where they belong.

Winter settles calm and deep,
In silent snows, the world asleep.
Stars shine clear in frosty air,
In silvered peace, the earth lies bare.

Each season turn in perfect time,
A rythum sweet, a subtle rhyme.
Through change and rest a year unfolds.
In nature's arm, the world grows old.

— Robert Kispotei.





# বৰষা

হেলেন বৰুৱা

মেঘৰ হিৰ্ হিৰ্ শব্দত
তাই আৰ পালে
বসন্তৰ আগমনে তাইক
নতুন বছৰৰ আগলি বতৰা দিলে।

লেৰেলি শুকাই থকা তাইৰ বুকুখনি
প্ৰাণ পাই জীপাল হ'ল,
চাহ গছৰ ন-ন কুঁহিপাতত
লছমীহঁতৰ মনবোৰ ফৰকাল হ'ল,
পদুমনি বিলৰ যেন উৎপল।

চেনেহৰ ধৰমনি নদন-বদন কৰিবলৈ
মুহিৰামে পথাৰলৈ গ'ল,
মনৰ আশাবোৰ যেন ফুল হৈ ফুলে
তাকেহে বৰষাক কাকূতি কৰি ৰ'ল।



# মাতৃ

— স্মৃতি খনিকৰ



আইৰ সমান হ'ব কোন
নৈৰ সমান ব'ব কোন

সকলো সন্তানৰ বাবে মাতৃ হৈছে সুখ-দুখৰ প্ৰথম আবেগ। জীৱনৰ এক সঁচা প্ৰাপ্তি আৰু অনুভূতিৰ নামেই হৈছে মা। সন্তানৰ জীৱনৰ সকলো দুখ, সমস্যা মাতৃয়ে বুকু পাতি ল'ব খোজে। সেয়ে মাতৃক পৃথিৱীৰ লগত তুলনা কৰা হয়। পৃথিৱীৰ ধৈৰ্য আৰু সহনশীলতাৰ দৰে মাতৃয়েও অশেষ ধৈৰ্য আৰু সহনশীলতাৰে সন্তানৰ লালন-পালন কৰে।

মাতৃত্ব মানেই হৈছে নিঃস্বাৰ্থ প্ৰেম, মমতাৰ এক মন্দিৰ। আধুনিকতাৰ পৰশত মানৱ সমাজৰ পৰা দয়া, মমতা, প্ৰেম আদি শব্দবোৰত কৃত্ৰিমতাৰ বহন লাগিছে। কেৱল মাতৃৰ বুকুতহে যেন অহৰহ বৈ আছে "মমতা" নামৰ সেই গভীৰ নদীখন, য'ত অকনো কলুষতা নাই। সেয়ে বহুলোকে কয় —

পত্নীয়ে চায় হাতলৈ
মাকে চায় মুখলৈ

মাতৃৰ প্ৰেমৰ মাজত সদায়ে ব্যতিক্ৰম। মাতৃৰ এনে প্ৰেমৰ লগত পিতৃ প্ৰেমৰো তুলনা নহয়। সেয়ে কোৱা হয়- "বাপ মৰিলেই খোৱাসাপ।" — মাতৃৰ এনে আত্মত্যাগৰ বাবে সন্তানেও মাতৃৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত। সকলো সন্তানে মাতৃৰ প্ৰকৃত আৰু অন[illegible] পাতৰান দিয়া প্ৰয়োজন। বহু সন্তানে পিতৃ-মাতৃক তেওঁলোকৰ বৃদ্ধ বয়সৰ অসহায় অৱস্থাৰ সুযোগ লৈ তেওঁলোকক প্ৰবঞ্চনা কৰা দেখা যায়। ই এক মহা অন্যায়। মাতৃপ্ৰেমৰ পৰা বঞ্চিত আৰু যিহঁতে মাতৃক হেৰুওৱা দুৰ্ভগীয়া সকলেহে উপলব্ধি কৰিব পাৰে মাতৃপ্ৰেমৰ ওজন কিমান। সেয়ে বহুলোকে আক্ষেপ কৰি কয়- "মোৰ ভাগ্য নিখোতাজন যদি মা হ'লহেঁতেন, তেন্তে মোৰ জীৱনত কেতিয়াও দুখ নাথিলহেঁতেন।"

Ci
-res
the w
complex

slow paced
Industry's fo
Agarwala's 'Joym
the period was
(1941), "Badan Borph
(1961), "Loti-Ghoti" (19
It is impo
also been made in a
the 90s was an era tha
-ses. with a gradual decl
-try started accepting influen
In recent
aspects of film-making from pre
digitalized. Rima Das brought la
India in Oscar with her debut f
four stories from Buri Aair Xadhu
Assamese cinema
come of age by now. It has been abl
international levels with hard work, dedicat
it can be expected that the well-establ
to influence, inculcate it to others as well,
to contribute positively to the already created

# আই

অজন্তা দে'

এক বেঁকা আঁচ বোৰ
হৃদি মনত অঁকা বগা চক পেঞ্চিলৰ
খিচিৰি-মিচিৰি,
হিবিজিবি বোৰ,
কেনেকৈ ৰূপান্তৰিত হ'ল
বৰ্ণমালালৈ
তাৰ সাক্ষী কেৱল তুমিয়েই
নহয়জানো আই ?
বৰ্ণমালাৰ প্ৰাপ্তিৰেই
মোৰ অঙ্কু-প্ৰতিম জীৱন আজি
য'ত আছে কেৱল অমিয়া জীৱনৰ
অমৃত প্ৰাপ্তিৰ অনুৰণন,
দেৱজ্যোতি হে
তোমাৰ পোহৰে আলোকিত কৰে,
মোৰ সৰগ,
জুৰাই মোৰ হৃদয়ত কমল কান্তি
অগ্নিস্নান কৰোঁ প্ৰাত্যাহিক
তোমাৰ নিৰ্মল জ্যোতিত,
জ্যোতিষ্মান মই তোমাৰ আলোত
ৰত্ন খচিত ৰত্ন মালাৰ সান্নিধ্যত
মোৰ ব্যক্তিত্বত প্ৰস্ফুটিত হ
স্বৰ্গসম তোমাৰ ছবি,
আত্ম-পৰিচয় হয়
হিমালয় সদৃশ,
বোৱতী ধাৰা জ্ঞানৰ
ঠিক যেন মনৰ দৰেই অহৰ্নিশে
অবিৰাম, শ্ৰুতমালাৰ দৰে
গুনগুন গুনগুন
তেজৰ কোঁহে কোঁহে
দিগবিদিগ হয় প্ৰসাৰ ।
তুমিয়েই মই,
তোমাৰ এটি চিটিকনিৰেই
মোৰ জন্ম ।
তোমাক নমন আই ।।
তুমিয়েই গুৰু, এই নিঃকিনৰ।।

# কৰ্ম আৰু জীৱন

নিৰদা বৰা

"কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ।" — এই কথাষাৰে মোৰ অন্তৰ চুই যায়। এনেহে আৱৰি ধৰিলে এই কথাষাৰক শিৰত তুলি দৈনন্দিন কৰ্ম পদ্ধতিক আগবঢ়াব খোজো। কৰ্ম গতিৰ আনন্দতে প্ৰতিদিনৰ কৰ্ম কৰি অজানিতে যোৱা পৰিলক্ষিত হয়। সকলো কৰ্ম উদ্যমী ব্যক্তিয়েই অবিৰাম — শ্ৰদ্ধাৰে স্মৰিব বিচাৰো। মাঁটি মোৱা ব্যক্তিক প্ৰশংসা কৰোঁ। ধনাম ধন্য ব্যক্তিসকলৰ কৰ্ম-পদ্ধতিক-

দৰাচলতে মানুহে প্ৰকৃত কৰ্মীৰ পৰিচয় দিবলৈ যাওঁতে প্ৰশংসা বা সন্মান বিচাৰি কাম নকৰে। কাম কৰাৰ এক অনাবিল আনন্দতহে কাম কৰি যায়। মানুহৰ দেহ-মন-মগজু সকলোবোৰেই কৰ্ম কৰাৰ বাবে উপযুক্ত। জীৱশ্ৰেষ্ঠ মানৱক সৃষ্টিকৰ্তাই কৰ্ম উপযোগী কৰি সৃষ্টি কৰিছে। মানুহৰ দৈনন্দিন কৰ্মৰাজিয়ে জীৱনটো অনুপম কৰি তোলে। নিষ্কৰ্মা হৈ কৰ্মহীনতাত ভোগা কথাটো বেদ-উপনিষদৰ কথাবোৰতো কতো প্ৰশংসা কৰা হোৱা নাই। কৰ্ম অবিহনে মানুহ জীয়াই থাকিলেও মৃত্যু হোৱাৰ দৰে।

মানুহৰ জীৱনৰ মানদণ্ডৰ উত্তৰণৰ মূল চাবি-কাঠি হ'ল 'কৰ্ম'। জীৱনটো সমৃদ্ধময় কৰি তুলিবলৈ সন্মুখলৈ — আহি পৰা উচিত কৰ্মৰাজি কৰি যোৱাৰ সংকল্প ব্যক্তিৰ থাকিব লাগে। কৰ্ম কৰাৰ আদৰ্শত যিজনা ব্যক্তি অনুগামী সেইজনা ব্যক্তিয়েই আদৰ্শবান ব্যক্তি। সৎ আৰু উদ্যমেৰে কৰ্ম কৰিলে, ফলাফললৈ দুঃচিন্তাত থাকিবই নালাগে। যেয়ে এষাৰি আপ্তবাক্য আছে — "কৰ্ম কৰি যোৱা ফলাফল ফলদাতা বিভোৰ হাতত।"

কৰ্মই জীৱন কথাষাৰে মানুহৰ দায়বদ্ধতাক সূচায়। ব্যক্তিসকল সামাজিকভাৱে দায়বদ্ধ। মানুহৰ জীৱনৰ — প্ৰতিটো খোজতেই কৰ্ম জড়িত। আমাৰ কৰিবলগীয়া বহুতো কাম জীৱনৰ পাশে-পাশে পৰিয়েই আছে! তেনে কিয় আমি কৰ্মহীনতাক প্ৰশ্ৰয় দিম? কৰ্মহীনতা মৃত্যু স্বৰূপ!

# বগা সূতাৰ গুলি

— হোমেন আনোৱাল

অ' মা মোৰ স্কুলৰ চোলাটো ফাটিল; নতুন এটা কেতিয়া আনি দিবি ?
পোনাটোৰ কথা শুনিল যদিও মাকে উত্তৰ নিদিলে। পিছদিনাও সি পুৰণি ফটা চোলাটোকে পিন্ধি গ'ল। স্কুলৰ পৰা অহাত মাকে তাক ভাত বাঢ়ি দিলে। খাই হ'লত পোনাৰ হাতত তিনিশ টকা গুজি দি চোলা এটা আনি ল'বলৈ ক'লে।
সি দৌৰি বজাৰলৈ গ'ল আৰু এক ঘন্টাৰ পিছত উভতিল। তাৰ হাতত এটা বেগ আৰু বেগটো মাকৰ হাতত তুলি দিলে। বেগটোত আছিল চাউল আৰু তাৰ হাতত বেজি আৰু বগা সূতাৰ গুলি। কাৰণ সি স্কুল যোৱাৰ পৰত ধনীকাইৰ ঘৰত মাকক সিহঁতৰ ঘৰৰ উঁৰাল তলত ভৰিৰে ধান মাৰি থকা দেখিছিল। মাকে তাক সাৱতি ধৰিল। দুয়োটাৰ চকুলো বৈ আহিল।

BOOK REVIEW

# THE POWER OF YOUR SUBCONSCIOUS MIND
## BY DR. JOSEPH MURPHY

— PUJA PEGU

"The power of your Subconscious Mind" by Dr. Joseph Murphy is a motivational book that reveals the hidden potential within our subconscious mind. Dr. Murphy explains how our beliefs, thoughts, and emotions, even those we are unaware of, shape our experiences and outcomes.

A major takeaway from the book is the idea that our beliefs control our reality. If we focus on positive thoughts and self-belief, our subconscious mind will help us reach our goals. The authors encourages readers to use visualization, imagining success in our minds, and AFFIRMATION to reprogram our subconscious.

Dr Murphy also highlights the healing power of mind. The book offers practical advice on overcoming FEAR and FAILURE, showing how we can break free from limiting beliefs, and take control of our future.

Overall, the book teaches that by understanding and harnessing the power of our subconscious, we can transform our lives for the better. It's an inspiring read for anyone looking to unlock their true potential.

# নিসংগতাৰ লগৰী

নীনামণি গগৈ

তুমি বাৰু যোৱানে
নৈৰ পাৰত বহিবলৈ,
কথা পাতিবলৈ
শূন্যতাৰ পৃথিৱীত?



মইয়ো যাওঁ, প্ৰায়ে যাওঁ
যেতিয়া মোৰ মনে
অনুভৱ কৰে নিসংগতাৰ......
তেতিয়া
সেই নৈ খনেই হ'ব পাৰে
মোৰ নিসংগতাৰ লগৰী.......
কুলু কুলুকৈ বৈ থকা
নৈৰ সোঁত, আৰু মলয়াজাক
মোৰ চিনাকী........,।

মই বুজি পাওঁ
নৈৰ সোঁতৰ আৰু মলয়াজাকৰ বৈমালি!
মই কেতিয়াবা স্পৰ্শ কৰোঁ
বৈ থকা নদীৰ পানী......!
ঠিক পাঁচোটা আঙুলিৰ ফাঁকেৰে
পাৰ হৈ যায় নিগৰি নিগৰি,
হয় এইয়াই মোৰ "নিসংগতাৰ লগৰী"।

# বৰ্তমান অৱস্থাত অসমৰ জনজাতি সোনোৱাল কছাৰী

– লনী সোনোৱাল

মূল বৃক্ষ হিচাপে কছাৰীসকল এটি পৰাক্ৰমী আৰু সুসংগঠিত জাতি। আদিতে সকলোৱে একগোট হৈ ৰাজপাট চলাই আছিল। আনহাতে বুৰঞ্জীবিদসকলৰ মতে আহোম ৰজাসকলৰ অধীনত সোন কমোৱা বৃত্তিধাৰী অনুযায়ী এই শ্ৰেণীসমূহৰ অন্তৰ্গত মানুহক সোনোৱাল বুলি উল্লেখ পোৱা যায়।

অসমৰ লক্ষীমপুৰ (অবিভক্ত) আৰু শিৱসাগৰ (অবিভক্ত) জিলাত সোনোৱাল কছাৰীসকলে অতীতৰপৰা বসতি কৰি আহিছে। চৰকাৰী পিয়লৰ নথিত সোনোৱাল কছাৰীৰ জনসংখ্যাৰ বিতং বিৱৰণ নাই যদিও এই জাতিৰ লোকসংখ্যা বুজন হ'ব লাগে। চৰকাৰী মহলত এই জাতিক ভৈয়ামৰ জনজাতিৰ লগতে পৰিগণিত কৰা হয়। অনুসূচিত জনজাতিৰ ভিতৰত সোনোৱাল কছাৰীয়ে শিক্ষা, বানিজ্য- ব্যৱসায়, চাকৰি-বাকৰি সকলো পৰ্যায়ৰ অনুদান গ্ৰহণ কৰি অসমৰ অন্যান্য জাতিৰ লগত সমানে খোজ মিলাবলৈ চেষ্টা কৰি আহিছে। শিক্ষাৰ ক্ষেত্ৰত এওঁলোকে বৰ বেছি আগবাঢ়িব পৰা নাই যদিও এওঁবিলাকৰ সমাজত লিখিব পঢ়িব নজনা লোক খুব কমহে ওলাব। ঘিয়েই কি নহওঁক, চৰকাৰী চাকৰিয়াল, উচ্চ প্ৰদত্ত বিষয়া, ওকালতি, সাহিত্যিক, চাহ উদ্যোগৰ কৰ্মচাৰী-পৰিচালক, ডাক্তৰ, অভিযন্তা প্ৰমুখ্যে সকলো তৰফৰ লোক সোনোৱাল কছাৰীৰ মাজত কম-বেছি পৰিমানে হ'লেও নোহোৱা নহয়।

অসমত বাস কৰা কছাৰী জাতি আজি যদিও বিভিন্ন জাতি হিচাপে বসতি কৰি আহিছে, তথাপি শদিয়াৰপৰা ধুবুৰীলৈকে সকলো কছাৰীয়ে মূলতঃ এক বুলি পৰস্পৰে পাৰস্পৰিক ভাতৃভাৱে আঁকোৱালি লৈহে আনন্দ পায় আৰু সেইকাৰণে কছাৰীৰ কলা- কৃষ্টি, আদান- প্ৰদান, মিলা- প্ৰীতি সকলো ক্ষেত্ৰতে আত্মীয়তাবোধ পৰিলক্ষিত হয়। বৰ্তমান ক্ৰমোন্নতিৰ যুগত বড়ো, ৰাভা, ডিমাচা, লালুং, চেঙাল আৰু সোনোৱাল কছাৰীৰ মাজত বৈবাহিক সম্বন্ধও ক্ৰমান্বয়ে চলি আহিছে।



...মৰ।

...কত

...ভৰপুৰ

...ৰ্ক। আঁতিগুৰি

...ৰ্ষ্ট কৰিছে

...ৰ কাৰণেই

...পদলৈ ৰূপান্তৰিত

...। সপোনৰ নতুন বাট

... আমি উপলব্ধি কৰিব

... ধৈৰ্যৰ। লাগিব একাগ্ৰতা।

...নি হৈছে। পৃথিৱীখন ডিজিটেল

... সেইকথা অসমৰ স্কুল

...ৰ Video নিৰ্মাণ কৰিব পাৰি

... সমগ্ৰ বিশ্বই চাব লাগিব।

...মৰ অসমীয়াই নিৰ্মাণ কৰিব। কৰিব

... অলপ চেষ্টা লাগিব।

...তেন্তে Social Media অসমৰ বাবে





# ডায়েৰীৰ স্মৃতি

তপন চন্দ্ৰ গগৈ

জীৱনৰ বাটত বাট কাটি কাটি
চাবুৰাৰ আকাশত
তৰা গণা এই ক্ষণবোৰ,
এবুকু উজীয়াই জীপাল কৰে,
দুবছৰীয়া সোণসেৰীয়া স্মৃতিবোৰ।

ওৰেটো জীৱন সাৰটি থাকিম,
ভাল লগা, নজনা কথা শিকা
যৌৱনা হোৱা বহু স্মৃতি।
এতিয়াটো ডায়েৰীৰ বাকৰিত ফুল ফুলে,
ৰ'দে কথা পাতে, সময়বোৰ পাগলো হয়।
বয়সবোৰ চফল তেজাল হয়।

ব্যক্তিত্ববোৰ সলনি হয়,
এজাক কোলাহলৰ মাজত,
তুমি, তুমি লগা সুখবোৰ আকৌ,
বিচাৰি ফুৰোতে সময়বোৰ পাৰ হয়,
অথচ মইটো কেতিয়াও ইমানো চঞ্চল নাছিলো।
বৌদ্ধিজীৱিৰ দৰে বিশাল পৰিসৰৰ নহ'লেও,
দুই এটা ভাল কথা শিকিছো।
নৱ প্ৰজন্মক বাট দেখুৱাৰ
বহু কল্পনা কৰিছো।



## উন্মোচকৰ স্বাক্ষৰ

